**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-09-2024
**Time :** 07 55 Hrs

***Assamese Morning Bulletin***
**:::::::::::::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ অধীনত অসমত এ পি ডি চি এলে দুই লাখৰো অধিক আবেদন লাভ কৰিছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যথেষ্ট ৰাজসাহায্য আগবঢ়োৱাৰ বাবে সৌৰশক্তি আহৰণ কৰাটো অধিক সুলভ হৈ পৰাৰ বাবে বিপুল সঁহাৰি পোৱা গৈছে। এ পি ডি চি এলৰ সূত্ৰই প্ৰকাশ কৰা মতে চাদৰ ওপৰত সৌৰ পেলেন স্থাপনৰ প্ৰতি গ্ৰহকৰ আগ্ৰহ যথেষ্ট বৃদ্ধি পোৱা দেখা গৈছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ অধীনত এক কিলোৱাট সৌৰশক্তি পেনেল স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৩০ হাজাৰ টকা আৰু ৰাজ্য চৰকাৰে ১৫ হাজাৰ টকা ৰাজ সাহায্য দিয়াৰ কথা ঘোষণা কৰিছে। এই আঁচনি গ্ৰহণৰ বাবে সজাগতা সৃষ্টিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এই আঁচনিৰ অধীনত গ্ৰীড সংযুক্ত সৌৰ চাদ ব্যৱস্থাৰে এটা পৰিয়ালক ৭০ শতাংশ পৰ্যন্ত সাহায্য দিয়াৰ ব্যৱস্থা কৰা হ'ব। আনহাতে ৰাজ্য চৰকাৰে ২০২৬ৰ ভিতৰত তিনি হেজাৰ মেগাৱাট সৌৰশক্তি উৎপাদনৰ লক্ষ্য স্থিৰ কৰিছে। বৰ্তমান সৌৰশক্তি প্ৰকল্পৰ পৰা প্ৰায় ৩০০ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদন কৰি থকা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি অসমত ১৩ হাজাৰ ৭৬০ মেগাৱাট সৌৰশক্তি উৎপাদনৰ সম্ভাৱনা আছে। অসমত দৈনিক প্ৰায় দুহেজাৰ ৬০০ মেগাৱাট বিদ্যুৎ শক্তিৰ প্ৰয়োজন হয়। কিন্তু ৰাজ্যত থকা বিদ্যুৎ প্ৰকল্পসমূহৰ এই চাহিদাৰ মাত্ৰ ১৪ শতাংশহে উৎপাদন কৰাৰ ক্ষমতা আছে, বাকী চাহিদা পূৰণৰ বাবে অন্য ৰাজ্যৰ পৰা বিদ্যুৎ ক্ৰয় কৰিবলগীয়া হয়। এনে প্ৰেক্ষাপটত সেউজশক্তি উৎপাদনেৰে স্বাৱলম্বী হ'বলৈ শেহতীয়াকৈ ৰাজ্য চৰকাৰে কেইবাখনো নতুন আঁচনি মুকলি কৰিছে। এই প্ৰকল্পসমূহৰ ভিতৰত কাৰ্বি আংলঙৰ লাহৰিজানৰ এহেজাৰ মেগাৱাট, ধুবুৰী-বিলাসীপাৰাৰ ৭০ মেগাৱাট, এ পি ডি চি এল আৰু এন এল চি আই এলৰ সৌদ উদ্যোগত এহেজাৰ মেগাৱাটৰ প্ৰকল্প অন্যতম।

০০০০০০০

চলিত ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদবোৰ পূৰণৰ বাবে অনুষ্ঠিত প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ পৰীক্ষাৰ্থীসকলে পৰীক্ষাৰ OMR চিটৰ ফটোকপী ৫০ টকাৰ বিনিময়ত পাব পৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে ঘোষণা কৰিছে। উল্লেখযোগ্য যে চৰকাৰে ২০২১ চনৰ পৰীক্ষা প্ৰাৰ্থীসকলৰ পৰা মাচুল লৈছিল যদিও এইবাৰ সেই মাচুল ৰেহাই দিয়া হৈছে। লক্ষ্যনীয় যে প্ৰশ্নকাকতৰ ফাদিল ৰোধ কৰাৰ বাবে অন্য ব্যৱস্থা বোৰৰ লগতে এইবাৰ পৰীক্ষাৰ্থীক পৰীক্ষাৰ অন্তত প্ৰশ্নকাকত লগত নিবলৈ দিয়া হোৱা নাছিল। ইয়াৰ বাবে সামাজিক মাধ্যমত ব্যাপক সমালোচনা হোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, পৰৱৰ্তী পৰীক্ষাবোৰত প্ৰশ্নকাকতসমূহ লগত নিবলৈ দিয়া হ'ব। আনহাতে ৫০ টকা মাচুলৰ বিনিময়ত OMR চিটৰ ফটোকপি সেবাই প্ৰাৰ্থীসকলক দিয়া ব্যৱস্থা কৰিব। মুখ্যমন্ত্ৰীয়ে এই প্ৰক্ৰিয়া ২৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হ'ব বুলি উল্লেখ কৰি পৰীক্ষা স্বচ্ছ, নিকা আৰু ক্ৰুটিহীনভাৱে অনুষ্ঠিত কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ উপলক্ষে চৰকাৰে **মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণ**ৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কয় যে, আধুনিক আন্তঃগাঁথনি গঢ়ি তোলাৰ লগে লগে দেশত নিয়োগৰ সুযোগ বৃদ্ধিৰ জৰিয়তে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণ বৃদ্ধি হোৱা দেখা গৈছে। মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণৰ ক্ষেত্ৰত চৰকাৰে বহিঃৰাষ্ট্ৰৰ প্ৰতিষ্ঠানৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে ৭৫ হাজাৰ নতুন চিকিৎসা বিজ্ঞানৰ আসন সংযোজন কৰিছে। আনহাতে প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২ দশমিক ৩০ লাখ কোটি টকা ৰাজ সাহায্যৰে এক কোটি নগৰীয়া গৃহ নিৰ্মাণ কৰা হৈছে। একেদৰে **পি এম সূৰ্য ঘৰ** যোজনাৰ অধীনত ৩ লাখ ৫ হাজাৰ ঘৰত সৌৰ ব্যৱস্থা স্থাপন কৰাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয় বৃদ্ধি কৰাৰ প্ৰয়াস কৰা হৈছে। মুদ্ৰা ঋণ ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰি ঔদ্যোগিকৰণৰ ক্ষেত্ৰতো উত্থান ঘটোৱা হৈছে। ইফালে ইউনিফাইড পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰাৰ লগতে অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণ নিশ্চিত কৰিবৰ বাবে এটা পদবী, এটা পেঞ্চন আঁচনিৰ সংশোধন কৰা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তনকে ধৰি মেট্ৰ' প্ৰকল্প, ইলেকট্ৰনিক বাছ আদি বিভিন্ন ব্যৱস্থাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০০০

শিৱসাগৰ জিলা আৰক্ষীয়ে যোৱা নিশা শিৱসাগৰ নগৰৰ ষ্টেচন চাৰিআলিত অভিযান চলাই ১৪টা ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ দুটা মাদকদ্ৰব্য সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে সৰবৰাহকাৰীকেইটাৰ পৰা নগদ ধন আৰু মোবাইল ফোনৰ এখন মটৰচাইকেল জব্দ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

**সমাপ্ত**